শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত যিখন বিল অনা হৈছে সেই বিলখনৰ সম্পৰ্কত মই মোৰ নিজৰ বক্তব্য ৰাখিব বিচাৰিছোঁ। প্ৰথম কথা হৈছে অসম বিধান সভাৰ সচিবালয়ৰ তৰফৰ পৰা এখন আলোচনা চক্ৰ যোৱা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হৈছিল। সেই আলোচনা চক্ৰখনত আমাৰ যিখিনি মাননীয় সদস্যই অংশ গ্ৰহণ কৰিছিল তাৰ অধিকাংশই বা সকলোখিনিয়েই বৰ্ত্তমান অৱস্থাত বিধায়কসকলে যি সুবিধা পাই আছে সেই সুবিধা কম হৈছে বুলি পাকে প্ৰকাৰান্তে প্ৰকাশ কৰিছিল। আৰু আচাৰ্য্যজনক কথা এয়ে যে আজি যি সকলে বিৰোধীতা কৰিছে সেই মাননীয় সদস্যসকলেও বিধায়কসকলৰ সুবিধা বৰ্দ্ধনৰ কাৰণে বা বেছি সুবিধা দিবৰ কাৰণেও এখন কমিটি গঠন কৰিবৰ্লৈও এই আলোচনা চক্ৰতে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তেতিয়া কিন্তু এই কমিটীৰ বিৰোধীতা কোনেও কৰা নাছিল। বিধায়কসকলৰ সা সুবিধা বৃদ্ধিৰ কাৰণেই যে এই কমিটিখন গঠন কৰা হৈছিল সেইটো সকলোৱে জানিছিল। আজি সদনত থকা এই সকলোখিনি সদস্যই তেতিয়া এইটো সমৰ্থন কৰিছিল। কোনো ৰাজনৈতিক দলৰ দলীয় ভিত্তিকৈসে বিৰোধীতা কৰা নাছিল। এতিয়া এইখন কমিটীৰ সিদ্ধান্ত অনুসৰি বিধায়কসকলৰ কেতবোৰ সুবিধাৰ কাৰণেই আমাৰ সদনত মুখ্যমন্ত্ৰী মহোদয়ে এই বিলখন উত্থাপন কৰিছে। এই বিলখনৰ সম্পৰ্কত দুই এজন সদসই সমৰ্থন কৰিছে আকৌ দুই এজন সদস্যই বিৰোধীতাও কৰিছে। কিন্তু গান্ধীবাদৰ সমাজ ভিত্তিত যিখন সমাজত আমি আছো সেইখনত বিধায়কসকলয় The first question is survival আমি জীয়াই থাকিলেহে আমি ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰিব পাৰিম।, তেওঁলোকৰ ৰক্ষনাবেক্ষন দিয়াৰ বাবে কাম কৰি যাব পাৰিম। এতিয়া আমাৰ জীয়াই থকাৰ সম্বল মাত্ৰ ৬০০ টকা। মাৰ্ক্সিজিম বা কমিউনিজ্জিমৰ লগত খাপ খোৱা কথা তেতিয়া মাননীয় সদস্য

সকলে কৈছে, যিসকলে কমিউনিজিমত আস্থা ৰাখে। The earlier cost of living of the M. L. A.s should be looked after by Government. চৰকাৰে বিধায়কসকলৰ সকলো দায়িত্ব লব লাগে, তেতিয়াহে আমি দক্ষতাৰে সৈতে আমাৰ কাম চলাই যাব পাৰিম। কমিউনিজিমৰ প্ৰতি শ্ৰদ্ধা দেখুৱাসকলে লেনিনৰ প্ৰতিমূৰ্ত্তিত মালা দিবলৈ উৰাজাহাজেৰে যায় ৰাছিয়ালৈ। সমাজবাদী ভিত্তিত মালা দিবলৈ যায় লেনিনৰ প্ৰতিমূৰ্ত্তিত। আজি পশ্চিমবঙ্গত বামপন্থী চৰকাৰ আছে তেওঁলোকেও দৰমহা বঢ়াইছে, আকৌ ত্ৰিপুৰাতো বঢ়াইছে। আমি ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ হলে আমাৰ নিজৰ ব্যক্তিগত কথা ভাবি থাকিলেও নহব। মোৰ ঘৰত কোনে খাইছে, কাম কৰি আহি মই ঘৰত ভাত খাবলৈ পামনে নাপাম এইবিলাক কথা চিন্তা কৰি থাকিলে মই আত্মকেন্দ্ৰীক হৈ যাব লাগিব আৰু লগে লগে ৰাইজৰ স্বাৰ্থত আঘাত পৰিব।

উপাধ্যক্ষ মহোদয়, আমি আত্মকেন্দ্ৰীক হৈ পৰাৰ লগে লগে ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আঘাত পৰিব। যিসকল দোষী তেওঁলোকে এই বিলৰ বিৰোধীতা কৰিব পাৰে। মাননীয় সদস্যগৰাকীয়ে যে আগৰ ষ্টক থকাৰ কথা কৈছে, সেই কথাটো বেলেগ। ৰাতিপুৱা এজন বিধায়কে খাই উঠাৰ পিচত ভিজিটৰ আহিল। ভিজিটৰক বহুৱাই থৈ বিধায়কজনে অকলে চাহ খাব নোৱাৰে। তেওঁলোককো চাহ, তামোল দিব লাগিব। এইটো আমাৰ অসমীয়াৰ সংস্কৃতি। এই সংস্কৃতি ৰক্ষাৰ কাৰণে চৰকাৰে সুবিধা দিব লাগিব। মই মঙ্গলদৈ চাৰ্কিট হাউচৰ কথাকে কওঁ—তাত এম, এল, এ সকলে ভ্ৰমণত গৈ বহে। তেতিয়া অফিচাৰসকলক মাতি আনি খৰচৰ কথা কয়। আনফালে পাবলিক একাউন্স কমিটিৰ মেম্বাৰসকলক মাতি আনি নথিপত্ৰ পৰীক্ষা কৰিবলৈ যাওঁতে এই কথা কয়। How to prevent corruption. তাৰ কাৰণে চৰকাৰে দায়িত্ব লব লাগে। এম এল, এ বিলাকক ৰাইজৰ কাম কৰিবলৈ কামত লগাই দিব লাগে। তেওঁলোকে ৰাইজৰ কাম কৰক। দুটা এটা ৰাজনৈতিক দলে এইখন বিলৰ বিৰোধীতা কৰাৰ অন্তৰালত কি কথা থাকিব পাৰে। এই ক্ষেত্ৰত দুটা কথা থাকিব পাৰে। এটা হৈছে যে—দৰমহা নালাগে। তেওঁলোকৰ অজস্ৰ সা-সম্পত্তি আছে। তেওঁলোকৰ অন্যান্য উপাৰ্জনৰ পথ আছে। আনটো হৈছে— তেওঁলোকৰ

দলীয় মত বিৰোধী হব পাৰে। কিন্তু মই ভাবো দলীয় মত বিৰোধী হব নোৱাৰে। কিন্তু এম, এল, এ সকলে এই কথা কব নোৱাৰে। তেওঁলোকে বতাহ খাই জীয়াই থাকক। তাক কোনেও নকয়। এই বিলখন সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে বিৰোধীতা কৰি এটা কথা কৈছে, সেই সম্পৰ্কে মই নকলেও হব। ১৯৮০ চনৰ পৰা ১৯৮৫ চনলৈকে বহুতো মানুহ নিৰ্য্যাতিত হৈছিল। আন্দোলন কৰাৰ কাৰণে যিসকলে মাৰ খাইছিল, পুলিচৰ হাতত নিৰ্য্যাতিত হৈছিল তেওঁলোকৰ সপক্ষে সদনত কোনেও মাত মতা নাছিল।

শ্ৰীহেমেন দাস—মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে প্ৰচিডিং চাব।

শ্ৰীজয়নাথ শৰ্ম্মা—উপাধ্যক্ষ মহোদয, পুলিচ আৰু ড্ৰাইভাৰে বৰ কষ্ট পাইছিল। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ তেওঁলোক পুলিচ চিপাহীৰ ওচৰলৈ গৈছিল। তেওঁলোকে বাইজৰ ওচৰ চাপিব নোৱাৰে। গতিকে পুলিচৰ ওচৰলৈ যায়। তেওঁলোকে পায়খানা, লেট্ৰিনতো পুলিচ গাৰ্ড ৰাখিছিল। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ পুলিচ চিপাহীৰ ওপৰত দুখলগা অত্যাচাৰ চলাইছিল।

উপাধ্যক্ষ মহোদয়, মই বিশেষ কব খোজা নাই। এই বিলখনৰ যোগেদি দুৰ্নীতিত বিধায়কসকল লিপ্ত হব নোৱাৰে। এই সম্পৰ্কে মই কিঞ্চিত সহায়ক হব বুলি মই ভাবো। মন্ত্ৰী, মাননীয় অধ্যক্ষ, উপাধ্যক্ষৰ দৰ্ম্মহা নিশ্চয় এম, এল, এ সকলৰ দৰমহাৰ লগতে এম এল, এ সকলে পোৱা সুবিধাৰ লগতে সেই অনুপাতে বঢ়াই লোৱাৰ ব্যৱস্থা কৰিব পাৰে। এতিয়া মই সকলো সদস্যকে অনুৰোধ জনাইছো যে আমি ৰাইজে ভাল পোৱা কাম কৰিব লাগিব। মনে মনে পইচা নলৈ দেখাদেখিকৈ পইচা লোৱা কাম ৰাইজে নিশ্চয় ভাল পাব। দেখাদেখিকৈ পইচা লোৱাৰ কাৰণে এই বিলখন আনোতে মুখ্যমন্ত্ৰীয়ে চেমিনাৰ পাতিছিল আৰু চেমিনাৰত এটা সিদ্ধান্ত লৈছিল। আজি এই সদনত তাৰ বেলেগে কৈছে। এই দুমুখীয়া কথা পৰিহাৰ কৰি একমুখীয়া কথা কব লাগে। ইয়াকে কৈ মই মুখ্যমন্ত্ৰী মহোদয়ে অনা বিলখন সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

শ্ৰীমইনুল ইচলাম বৰা—মাননীয় উপাধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰী মহোদয়ে এম, এল, এ সকলৰ দৰমহা বঢ়োৱাৰ সংক্ৰান্তত যি বিল দাঙি ধৰিছে এই বিলখন সঁচা কৈয়ে সময়োপযোগী হৈছে আৰু সকলোবোৰ গ্ৰহণযোগ্য হৈছে। নিৰ্বাচনৰ আগতে আমি জনসাধাৰণক কথা দি আহিছিলো যে আমি ৰাইজৰ কাৰণে কাম কৰিম আৰু দেশৰ কাৰণে কাম কৰিম। আমি দেখিছো যে যোৱা ৩৮ বছৰে কংগ্ৰেছেই হওঁক বা অন্যান্যই হওঁক এই কালছোৱাত জনসাধাৰণে দিশপুৰলৈ আহিব লগা হৈছিল। বহুতো মানুহে শাসকীয় দলৰ পৰা সদ উত্তৰ নেপাই দিশপুৰলৈ অগা শুনিছিলো। সেই কাৰণে ৰাইজে প্ৰশ্ন কৰিছিল গণপৰিষদ চৰকাৰে পাৱাৰত আহি দিশপুৰত বহি থাকিব নেকি? সকলো বিধায়কে এনেকুৱা ধৰণৰ প্ৰশ্নৰ সন্মুখীন হৈছিল। আমি ৰাইজক কৈছো যে আমি তেনেকুৱা কাম নকৰো। যোৱা ৩৮ বছৰে যিসকল ৰাজনীতিবিদ দিশপুৰত বহি চাৰ্কিট হাউচত বহি কাম কৰিছিল, আমি নকৰো। ৰাইজৰ সমস্যা সমাধানৰ কাৰণে আমি কাম কৰিম। আমি এই উত্তৰ দিছিলো। সেই কথাৰ ভিত্তি ৰাখি আজি বিভিন্ন সমস্যাৰ বাবে আমাৰ মাননীয় সদস্য শ্ৰীনৰেন তাঁতীয়ে কোৱাৰ দৰে আমি ৰাইজৰ মাজলৈ যাব লাগিব। দিশপুৰত বহি কাম কৰিব নেলাগিব। আমি আমাৰ নিজৰ সমষ্টিলৈ গৈছো আৰু জনসাধাৰণৰ সমস্যাবোৰ হাতত লৈছো। এই বিষয়ে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ দিছে। সেইমতে আমি ৰাইজৰ সমস্যাৰ সন্মুখীন হৈছো। এই কাৰণেই আমাৰ চৰকাৰখন জনপ্ৰিয় চৰকাৰ। জনপ্ৰিয় চৰকাৰৰ কাৰণেই ৰাইজৰ মাজলৈ গৈ বিভিন্ন সমস্যা হাতত লব লগা হৈছে। আজি ৩৮ বছৰৰ সমস্যা চুঘণ্টা কলেও শেষ নহব। এই সমস্যা কৰিছে পূৰ্ব্বৰ চৰকাৰে। যিসকল সদস্যই এই বিলৰ বিৰোধীতা কৰিছে সেই সকলো আছে। দৰমহা বঢ়োৱাৰ ক্ষেত্ৰত মই কৈছো যে দৰমহা বঢ়ালে ভাল হয়। কাৰণ আমি জনসাধাৰণক কথা দিছো যে তেওঁলোকৰ মাজলৈ আমি যাম। আমি যাব লগা হলে গাড়ীৰ খৰচ আছে। বিধায়কৰ দৰমহা বঢ়োৱাৰ কাৰণে কমিটি গঠন হৈছে। এইকাৰণে অৰিয়েন্টেচন চেমিনাৰ হৈছে। সেই চেমিনাৰত প্ৰায় সদস্যই দৰমহা বঢ়াব লাগে বুলি কৈছে আৰু দৰমহা বঢ়াইছে। সেইমতে মুখ্যমন্ত্ৰী মহোদয়ে এই বিলখন আনিছে। এই বিলখন

আনোতে বিৰোধী সদস্যই বিৰোধীতা কৰিছে। কিন্তু তেওঁলোকে বিৰোধীতা নকৰি আনন্দেৰে এই বিলখন গ্ৰহণ কৰিব লাগিছিল। বিৰোধীতা কৰাৰ কাৰণ হৈছে ৰাজনৈতিক চাল। নির্য্যাতিত কৰ্ম্মচাৰীসকলে দৰমহা নোপোৱাৰ আগতে তেওঁলোকে দৰমহা লৈছে। এই কথা কব। আপোনালোকৰ কি হ'ল? এইদৰে তেওঁলোকক উচতাইছে।

এওঁলোকক উচতাইছে, আমি গম পাইছো। বিধান সভাতো ইয়াৰ আমি গম পাইছো। এগৰাকী মাননীয় সদস্যই নির্যাতিত লোকৰ কথা কৈ কান্দিছে। কিন্তু যোৱা ৩৮ টা বছৰে বহুসময়ত এম, এল, এ হৈ আছে। ইয়াৰ আগতে কান্দিছিল নে? আমি ৰাইজক প্ৰতিশ্ৰুতি দি আহিছো যে আমি নিকা চৰকাৰ তৈয়াৰ কৰিম, নিষ্ঠা সহকাৰে কাম কৰিম (দেৱ বৰাই কোৱাৰ দৰে)। কোনো পাপ ভাৱ লৈ আমি ইয়ালৈ অহা নাই।

ৰাইজক নিদিয়াকৈ আমি নিজে লবলৈ, কোনো অশুদ্ধ ভাৱ লৈ আমি ইয়ালৈ অহা নাই। আমি এটা শুদ্ধ মন লৈ সেৱা-সংকাৰ কৰি ইয়ালৈ আহিছো, স্পষ্ট কথা—আমি দুৰ্নীতিক প্ৰশ্ৰয় নিদিম। যদি তেনে দুৰ্নীতিৰ বিষয়ে কেনোবাই অভিযোগ আনিব পাৰে তেনেহলে তাৰ ব্যৱস্থা তৎকালে আমি হাতত লম। আমাৰ সদস্যসকলে উৰা-জাহাজৰ টিকেটৰ কাৰণে ফোন নকৰে, যে কৰিলেই টিকেট আহিব, ঠিকাদাৰক কলেই গাড়ী আহিব (ধ্বনি—আমি এইবোৰক চিনিয়ে নাপাওঁ)। উপাধ্যক্ষ মহোদয়, এইবিলাক নকৰাকৈ আমি নিকা প্ৰশাসন বিচাৰিছো।

মাননীয় উপাধ্যক্ষ—মাননীয় সদস্যগৰাকীয়ে শেষ কৰক।

শ্ৰীমইতুল ইচলাম বৰা—মই শেষেই কৰিছো। কিন্তু কথা হ'ল, নির্য্যাতিত সকলক সংস্থাপন, আৰ্থিক সাহাৰ্য্য মুখ্যমন্ত্ৰীয়ে দিয়া নাই বুলি সদস্যজনে অভিযোগ কৰিছে। নির্য্যাতিতক সংস্থাপন আৰু আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা আমাৰ গণ পৰিষদ চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে কৰিছে। আমি সকলোৱে নিষ্ঠা সহকাৰে আৰু আন্তৰিকতাৰে এই বিলখন গ্ৰহণ কৰা উচিত। ইয়াত বাক্-বিতণ্ডা হব নালাগে।

উপাধ্যক্ষ মহোদয়, বিলখন গ্ৰহণ কৰাৰ বাবে মই সকলোকে অনু-

ৰোধ জনাই বক্তব্যৰ সামৰণি মাৰিছো ।

Shri Charan Narzary—Mr. Deputy Speaker, Sir, I have heard the arguments put forward by the opposition members as well as members of the Treasury Benches with rapt attention. Personally I do not want to enter into any controversy. But then Sir, what I feel is that the members of the Legislative Assembly should get adequate facilities and on this point as I have understood it there is no difference of opinion among the hon'ble members of this august House. Different status has been given to the Govt. employees like class I officers, class II officers, class III officers, grade IV employees and the like. Now I want to know what is the status of the hon'ble members of Assam Legislative Assembly. What is their status ? What the officers of class I get, what benefits are given to the class II officers, what benefits are given to the class III officers and now what facilities are being enjoyed by the hon'ble members of the Assembly ? Taking this question into consideration I think the issue has to be decided. Sir, it is a fact that we cannot expect anything from a hungry man. It is a universal truth. An hungry man also cannot have the right to give any moral lesson. We the members of the Assembly are hungry. I do not know how the members of the Assembly in the previous years used to carry on. But so far as I am concerned, I feel, really I am a hungry man. Whoever comes to my house he can see very well how I live, what is the standard I have ; what can I offer to him. These problems are always there. Streams of people come everyday to my house and many of them, I have heard, saying why don't you try to raise or get some more benefits ? This question is being asked from amongst my people. I do not know what about the other members ( voices—the same

condition ). At the same time I have seen also there are others who can offer so many things. I wonder how they can manage. But as for myself sometimes I feel I am a very low man. May be because I cannot ask for anything from anybody. Whoever comes to me, I assure him help, what I can do for you—for transfer and appointment and I have at the same time also heard that there are innumerable cases of transfers, appointments and all that where the transferring Minister or the Officer or the appointing Minister or officers do for in exchange of gratification. Not small, very big, in big proportion. So I simply wonder how all these things happen. How people can go to that extent. So personally I can not do anything. So personally I cannot do anything. So I thing I am a very helpless man, leading a very helpless life. Low living is a different thing. Simple living and high thinking may be possible. But low living and high thinking is never possible. Now this enhancement of the salaries and other facilities Act has come in the House and as has been already stated by many hon'ble Members, I think this has been done with adequate studies, comperative studies and reasoning. It has not been done at random and haphazardly. This is my impression. Because there are instances of many other States in the country where even better facilities and amenities are given to the Members of the Legislative Assembly and also the Members of Parliament. That is why, Sir I do not see any reoson why this enhancement should be withdrawn. Because I have already said with some reoson and I think I am not out of reason. I have spoken in a reasoned way. I am not concerned with any motive for publicity, no political intention whatsoever. With realistic approach I think the amendment has been brought in and so I do not have any reason to oppose the amendment. I am not saying this only for the sake of argument though I

am sitting in the opposition bench, though I do not belong to the Treasury Benah, possibly this may do some good to the members in rendering their services to the people at large and I am concluding, Sir only by saying once again that a hungry man cannot do anything and nobody has any right to give moral lesson, moral teaching without feeding. We want to be fed first and then only we can be able to feed others. When we ourselves are hungry how can we feed others ? With this few words I resume my seat.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত—মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ সম্পৰ্কত মাননীয় সদস্যসকলে বিভিন্ন মতামত আৰু পৰামৰ্শ আগবঢ়াইছে। এই সম্পৰ্কত মাননীয় অধ্যক্ষ মহোদয়ে গঠন কৰি দিয়া কমিটিৰ বিভিন্ন পৰামৰ্শাৱলীৰ সকলোখিনি পৰামৰ্শ মানি লব পৰাটো সম্ভৱ নাছিল। সেয়ে আমি আমাৰ বিধায়কসকলৰ সুবিধা আৰু অসুবিধাবিলাক চাই, আন আন ৰাজ্যৰ লগত এইবিলাক তুলনা কৰি যিখিনি পৰামৰ্শ আগবঢ়াইছিল তাৰ ভিতৰত সম্ভৱপৰ কেইটাৰ ওপৰত সংশোধনী আগবঢ়োৱা হৈছে। ইয়াৰ ওপৰত মাননীয় সদস্যসকলে বিভিন্ন মতামত আগবঢ়াইছে। মই আশা কৰিছো মাননীয় সদস্যসকলে জনসাধাৰণৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰখাৰ ক্ষেত্ৰত বিভিন্ন যোগাযোগ কৰাৰ ক্ষেত্ৰত এইখিনি বিত্তৰ প্ৰয়োজন হব আৰু সেই কাৰণেই মই মাননীয় সদস্যসকলক আজিৰ এই বিলখনত অনুমোদন জনা-বলৈ অনুৰোধ জনাইছো। আশা কৰিছো তেখেতসকলে এই বিল খনত অনুমোদন জনাব।

Mr. Deputy Speaker—Now I put the motion. The motion is that the Assam Legislative Assembly Members' Salaries, Allowances and Pensions (Amendment) Bill, 1986 be passed,

The motion is passed. The Bill is passed.

Now Item No. 2.

## DISCUSSION UNDER RULE 50

Shri Haliram Terang—Mr. Deputy Speaker, I beg to raise a discussion under Rule 50 of the Rules and procedure and conduct of Business in the Assam Legislative Assembly regarding the question of transferability of Block I and II of Karbi Anglong District to Meghalaya.

মাননীয় উপাধ্যক্ষ মহোদয়, যিটো বিষয় ইয়াত উত্থাপন কৰা হৈছে ইয়াত আমাৰ চুবুৰীয়া ৰাজ্য এখনৰ কথা জড়িত আছে। সেই কাৰণেই মই বিশেষ ধৰণৰ আপত্তিকৰ কথা এৰাই চলিবলৈ যত্ন কৰিম। কিন্তু প্ৰয়োজনীয় আৰু আগৰ চৰকাৰবিলাকে এই ৫৯২ কিঃ মিঃ অঞ্চলৰ কাৰণে কি কৰিছিল, এই অঞ্চলৰ ৰাইজৰ কি অৱস্থা হৈছে, এইবিলাক কথা আমি আলোচনা কৰিবই লাগিব। কাৰ্বি আংলং জিলাখনৰ নাম পূৰ্বতে মিকিৰ পাহাৰ জিলা আছিল। ১৯৫১ চনত এখন নটিফিকেচন মতে মিকিৰ পাহাৰ জিলা গঠন কৰা হৈছিল। নগাওঁ জিলাৰ কিছু অংশ, শিৱসাগৰ জিলাৰ কিছু অংশ, খাচিয়া আৰু জয়ন্তীয়া পাহাৰ জিলাৰ কিছু অংশ লৈ এই মিকিৰ পাহাৰ জিলাখন গঠন কৰা হৈছিল। এই নটিফিকেচন ১৯৫১ চনৰ ১৩ এপ্ৰিলত হৈছিল।

এতিয়া ব্লক ১ আৰু ২ ত সমস্যাৰ সৃষ্টি হৈছে। ১৯৫৭ চনতে নংঘূল বুলি এই জাগা টুকুৰাত মাত্ৰ কিছুমান খাচী সম্প্ৰদায়ৰ লোক আছিল যি সময়ত সীমা ঠিক কৰা হৈছিল। তাৰ পিছত উপায়ুক্ত, জিলা পৰিষদ আৰু চৰকাৰৰ বিষয়াৰ লগত যুটীয়া অনুসন্ধান কৰা হ'ল কিন্তু ১৯৫৭ চনৰ পৰা ১৯৬০-৬১ চনলৈ কোনো ব্যৱস্থা কৰা নহ'ল। এতিয়া ১৯৮৫ চনত পুনৰ যেতিয়া অসমৰ মুখ্য সচিব আৰু মেঘালয়ৰ মুখ্য সচিবৰ লগত আলোচনা হয় সেই আলোচনাৰ মাধ্যমত এখন মেপ তৈয়াৰ কৰা হৈছে। সেই মেপখনৰ মতে ৫৯২ বৰ্গমাইল খাচী দোমিনেণ্ট এৰিয়া বুলি দেখুৱা হৈছে। যাৰ ফলত এই ঠাই টুকুৰা মেঘালয় ৰাজ্যলৈ হস্তান্তৰ কৰিব বিছৰা হৈছে। যুটীয়া অনুসন্ধান কমিটি বহিছিল। এই জইণ্ট চাৰ্ভেত অসম মেঘালয় আৰু ভাৰত চৰকাৰৰ চাৰ্ভেৰ মানুহ আছিল। তেওঁলোকে মেপখনত ৫৯২ বৰ্গমাইল খাচী দোমিনেটেড এৰিয়া বুলি দেখুৱাইছে। কিন্তু তেওঁলোকে যিমানেই চাৰ্ভে নকৰক কিয় তাৰ আধা অংশও খাচী দোমিনেটেড এৰিয়া হব নোৱাৰে। মাত্ৰ কেইখনমান গাওঁত খাচী সম্প্ৰদায়ৰ মানুহ আছে।

এই ৰিপোৰ্টৰ দ্বাৰা এটা ডাঙৰ সমস্যাৰহে সৃষ্টি কৰিছে। গতিকে এই বিষয়টোত মই বিৰোধীতা কৰিছো আৰু যদি আজি এই সদনৰ এটা কমিটি কৰি দিয়া যায় তেওঁলোকে চাই আহিব পাৰিব মাত্ৰ ২০ বা ৪০ বৰ্গ-মাইলতহে খাছী সম্প্ৰদায়ৰ মানুহ আছে। গতিকে আমি যদি ২৫০ বৰ্গ-মাইলও মেঘালয়ক এৰি দিওঁ তেতিয়াহলেও অসমৰ লগত সীমা বিবাদ হব। সেই কাৰণে মই এই মেপখনৰ বিৰোধীতা কৰিছো। এই মেপখনৰ মতে তিৱা লালুং সকলকো খাছী বুলি দেখুৱাইছে। গতিকে এই চাৰ্জে বা মেপখন মোটিভেটেডহে কৰিছে য'ত লালুং, তাপা আদিকো খাছী বুলি ধৰা হৈছে। দুখন ৰাজ্যৰ জিলা পৰিষদৰ সদস্য মুখ্য সচিব উপায়ুক্তৰ মাজত যেতিয়া আলোচনা হৈছিল তেতিয়া অসম চৰকাৰে ১৯৫১ ৰ পৰা ১৯৬১ চনৰ চেঞ্চাচ ৰিপোৰ্ট দিব নোৱাৰিলে, অথচ সেই ৰিপোৰ্ট চৰকাৰৰ হাতত আছিল। ১৯৮৫ চনৰ ১৭ জুনত যিটো চুক্তি বা প্ৰৱিৰনী হৈছিল—সেই সময়ত মেঘালয়ৰ মুখ্যমন্ত্ৰী কেপ্তেইন চাংমা আৰু অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতে-শ্বৰ শইকীয়া আছিল। প্ৰবিৱৰণী আছিল এনে ধৰণৰ—The pattern of population should be accepted as the guiding principle both the Chief Ministers decided that it should be pursued by the two Chief Secretaries. এইটো বৰ চেনজিটিভ ইচু কিন্তু যোৱা ৩৫ বছৰত একো কৰা নহ'ল যাৰ ফলত আজি ২৫০ বৰ্গমাইল এৰি দিয়াৰ প্ৰশ্ন আছে। আজি ইয়াৰ কাৰণে ৪০,০০০ হাজাৰ লোকৰ অৱস্থা কি হ'ব। আজি এই অঞ্চলটো দিস্পুটেড এৰিয়া বুলি কোৱা হৈছে। ফলত স্কুলঘৰ এই অঞ্চলত কোনেও কৰিব নোৱাৰে আৰু এই অঞ্চলটো আটাইতকৈ পিচপৰি আছে। ইয়াৰ ৰাষ্টা-ঘাটবিলাক বহুত বেয়া আনকি এই ৰাষ্টাবিলাকত জীপ গাড়ীও নিব নোৱাৰি। কাৰণ কোনো চৰকাৰে এই ঠাইৰ উন্নয়নৰ কথা চিন্তা নকৰে। এইটো বৰ জ্বলন্ত সমস্যা হৈ পৰিছে আৰু ইয়াক এতিয়া পলিটিকেল ইচু কৰা হৈছে।

আজি অসমৰ কাৰণে বা কাৰ্বি আংলং জিলাৰ কাৰণে সৌভাগ্যৰ কথা যে গণপৰিষদ চৰকাৰ নহী হলে হয়তো এই গোটেইখিনি ঠাই মেঘা-লয়ক এৰি দিব লগা হ'লহেতেন। যিটো সমস্যা কংগ্ৰেছ চৰকাৰে ৩৮ বছৰে সমাধান নকৰিলে সেই সমস্যা আজি গণপৰিষদ চৰকাৰে কৰিব

লাগিব কিয়নো ইয়াত ৪০—৬০ হাজাৰ লোকৰ জীৱনৰ কথা জড়িত আছে। গতিকে এই বিষয়টো অনতিপলমে সমাধান কৰিব লাগে। যদি ইয়াৰ মীমাংসা সোনকালে কৰা নহয় তেনেহলে মেঘালয় কাৰ্বি আংলং ৰ সীমাৰ মাজত সীমা বিবাদ হব যাৰ ফলত আইন শৃঙ্খলাৰ পৰিস্থিতিৰ উদ্ভৱ হব। আমি আশাকৰো যাতে ইয়াত মেৰাপানীৰ নিচিনা ঘটনা নঘটে। সেয়ে এই বিষয়টো মই সদনত উত্থাপন কৰিছো আৰু চৰকাৰক অনুৰোধ কৰিছো যাতে অতি সোনকালে ইয়াৰ এটা সমিধান উলিয়ায়। এইখিনি কৈয়ে মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন—মাননীয় উপাধ্যক্ষ মহোদয়, অসম আৰু মেঘালয়ৰ সীমা সংক্ৰান্ত বিষয়টি কিছুদিন ধৰি অসম চৰকাৰৰ দৃষ্টিগোচৰ হৈ আহিছে। মতানৈক্য দূৰ কৰাৰ অৰ্থে অসম আৰু মেঘালয়ৰ তেতিয়াৰ মুখ্যমন্ত্ৰী দুগৰাকী ২৬।৫।৮৩ তাৰিখে শ্বিলঙত মিলিত হয় আৰু দুয়োখন ৰাজ্যৰ মুখ্য সচিব দুগৰাকীক সন্নিবিষ্ট কৰি এখন যুটীয়া চৰকাৰী আয়োগ (Joint Official Committee) গঠন কৰাৰ সিদ্ধান্ত লয়। এই যুটীয়া আয়োগৰ ওপৰত বিবাদমান এলেকাসমূহ চিনাক্ত কৰাৰ দায়িত্ব ন্যস্ত কৰা হয়। উক্ত আয়োগে ৮।২।৮৪ত প্ৰতিবেদন দাখিল কৰে আৰু অন্য কথাৰ মাজতে (inter-alia) এইবুলি অনুমোদন জনায় যে অসমৰ কাৰ্বি আংলং জিলাৰ খণ্ড-১ আৰু খণ্ড ২ ৰ কিছু অংশ পুনৰ হস্তান্তৰ কৰা প্ৰশ্নৰ লগত অসমৰ এলেকা মেঘালয়লৈ হস্তান্তৰ কৰাৰ বিষয়টো জড়িত, গতিকে বিষয়টিৰ ওপৰত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে আলোচনা কৰি সিদ্ধান্ত লোৱা যুগুত।

অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী দুগৰাকী ১৭।৬।৮৫ তাৰিখে গুৱাহাটীত পুনৰ মিলিত হয়। সেই আলোচনাত তেখেতসকলৰ অৱহিত (noted) হয় যে ইতিপূৰ্ব্বে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে ১০।৯।৭১ আৰু ২৯।১।৭৬ তাৰিখে কাৰবি আংলং জিলাৰ খণ্ড-১ আৰু খণ্ড ২ ৰ সীমা সংক্ৰান্ত বিষয়টি আলোচনা কৰি এই মৰ্মে সিদ্ধান্ত লৈছিল যে কাৰ্বি আৰু খাৰ লোকৰ জনসংখ্যাৰ অনুপাতক আধাৰ কৰি এক চুক্তিত উপনীত হবৰ বাবে, যাৱতীয় লাগতীয়াল তথ্য (data) সমূহ সংগ্ৰহ কৰিব লাগে।

এই সন্দৰ্ভত উল্লেখিয়াব পাৰি যে এখন ৰাজ্যৰ এলেকা হস্তান্তৰ কৰা

বা দুখন ৰাজ্যৰ মাজৰ সীমাৰ সাল-সলনি ঘটোৱাৰ নিচিনা বিষয়বোৰ ভাৰতীয় সংবিধানৰ ৩ আৰু ৪ অনুচ্ছেদ অনুযায়ী কেন্দ্ৰীয় চৰকাৰ কৰ্তৃত্ব লৈ ( Purview ) আহে। অসম চৰকাৰৰ জ্ঞাতত কাৰ্বি আংলং জিলাৰ খণ্ড-১ আৰু খণ্ড-২ ক মেঘালয়লৈ পুনৰ হস্তান্তৰিত কৰাৰ বিষয়ত কোনো চুক্তি কাহানিও সম্পন্ন হোৱা নাই।

Mr. Deputy Speaker—Now Hon. Home Minister will make a statement in connection with a matter raised by Hon. Member Shri Candpan.

শ্ৰীভৃগু কুমাৰ ফুকন ঃ—

माननীয় উপাধ্যক্ষ মহোদয়, যোৱা ইং ২৭৩।৮৬ তাৰিখে যেতিয়া বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে বৌতাত ফাকুৱা উৎসৱ পালন কৰিছিল তেতিয়া দিনৰ প্ৰায় ২-১৫ মান বজাত বৌতাৰ ৰেল ষ্টেচনৰ ওচৰলৈ দুজন ল'ৰাই তেওঁলোকৰ পৰিচিত কেইজনমান মানুহৰ পৰা এটা ঢোল আনিবলৈ যায়। তাত বালেশ্বৰ শ্বাহ নামৰ এজন মানুহৰ লগত উক্ত যুৱক দুজনৰ কাজিয়া হয়। বালেশ্বৰ শ্বাহে লগৰীয়াসকলৰ লৈতে ঢোলটো বজাবৰ বাবে লাগিব বুলি কৈ তেওঁ ল'ৰা দুজনক ঢোলটো দিবলৈ অস্বীকাৰ কৰে। এয়েই কাজিয়াৰ সূত্ৰপাত। বালেশ্বৰ ঘৰৰ ভিতৰলৈ গৈ এডাল লাখুটি উলিয়াই আনি উক্ত যুৱকক মৰিয়াবলৈ ধৰে।

কাজিয়াৰ খবৰ পাই গোটখোৱা কিছুমান মানুহে বালেশ্বৰ শ্বাহলৈ দূৰৰ পৰা শিল গুটি মাৰে। বালেশ্বৰ শ্বাহে তেতিয়া দৌৰি গৈ জগদীশ শ্বাহ নামৰ এজন মানুহৰ ঘৰত আশ্ৰয় লয়। মানুহবোৰে তেওঁক খেদি যায় আৰু নাৰায়ণ তালুকদাৰ নামৰ এজন লোকে জগদীশ শ্বাহৰ এটা খেৰৰ গোহালী ঘৰত জুই লগাই দিয়ে। কিন্তু আন মানুহ আৰু ল'ৰা-বিলাকে জুই নুমুৱাই দিয়ে। ইতিমধ্যে ৰাম গোলাম শ্বাহ নামৰ আন এজন লোকে লাখুটি আৰু কেইজনমান মানুহক লগত লৈ আগবাঢ়ি আহে আৰু তেওঁ খগেন দাসৰ পুত্ৰ খনীন দাসৰ মুৰত আঘাট কৰে। সমবেত মানুহ সকলে শিল দলিওৱাত ৰাম গোলাম শ্বাহ মুৰ আৰু শৰীৰত আঘাট প্ৰাপ্ত হয়। এই গোটেই ঘটনাটো দুয়োপক্ষই ৰাগিয়াল বস্তু সেৱন কৰাৰ ফলতে ঘটে।

উক্ত খবৰ বৌতা টেলিফোন কেন্দ্ৰৰ যোগেদি বৌতা পুলিচক জনো-

ৱাৰ লগে লগে উক্ত আৰক্ষী চকিৰ ভাৰপ্ৰাপ্ত বিষয়াই লগত পুলিচৰ লোক লৈ ঘটনাস্থলীলৈ যায় আৰু পৰিস্থিতি নিয়ন্ত্ৰণাধীন কৰে।

এই সংক্ৰান্তত পুলিচে দুই পক্ষৰ পৰা দুটা গোচৰ পঞ্জীভুক্ত কৰে। নাৰায়ণ তালুকদাৰ আৰু বালেশ্বৰ শ্বাহক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হয়। খনীন দাস নামৰ এজন ল'ৰা আৰু ৰাম গোলাম শ্বাহ নামৰ এজন লোক বৰ্ত্তমান চিকিৎসাধীন হৈ আছে। এই বিষয়ে অধিক তদন্ত চলি আছে। এই সংক্ৰান্তত ওডালগুৰি থানাত পঞ্জীভুক্ত কৰা গোচৰ দুটা হ'ল—(১) ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৭ / ১৪৮ / ৩২৫ /৪৩৬/৪২৭ ধাৰাৰ অন্তৰ্গত গোচৰ নং ৬১ /৮৬ আৰু (২) ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৭ / ১৪৮ / ৩২৫ ধাৰাৰ অন্তৰ্গত গোচৰ নং ৬৩ / ৮৬।

উল্লেখযোগ্য যে দুয়ো পক্ষৰ লোকসকলৰ মাজত চিনাকী অতি পুৰণি। জিলা পুলিচ অধীক্ষকে ঘটনাস্থলী পৰিদৰ্শন কৰি ব্যক্তিগতভাৱে তদন্ত তদাৰক কৰে।

শ্ৰীভৃগু কুমাৰ ফুকন—মাননীয় উপাধ্যক্ষ মহোদয়, কাছাৰৰ পৰিস্থিতি সম্পৰ্কে মই সবিনয়ে সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো।

সদৌ কাছাৰ ছাত্ৰসন্থাৰ উদ্যোগত চলি থকা আন্দোলনৰ দাবী দুটা। প্ৰথমটো হ'ল—বৰাক উপত্যকাত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা আৰু দ্বিতীয়টো হ'ল— অনা-অসমীয়া স্কুলত অসমীয়া ভাষা শিকাটো বাধ্যতামূলক কৰি মাধ্যমিক শিক্ষা পৰিষদে জাৰি কৰা জাননীখন প্ৰত্যাহাৰ কৰা। বিভিন্ন সময়ত দাবী দুটাৰ সপক্ষে সদৌ কাছাৰ ছাত্ৰ সন্থাই আন্দোলনৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। আন্দোলন শান্তিপূৰ্ণভাৱে চলিলে কোনো ধৰণৰ দমন নীতি প্ৰয়োগ নকৰিবলৈ জিলা প্ৰশাসনক স্পষ্ট নিৰ্দেশনা দিয়া হৈছিল। গণতান্ত্ৰিক পদ্ধতিৰে চলোৱা আন্দোলনৰ সন্দৰ্ভত কোনো ধৰণৰ বিভাজন নীতি প্ৰয়োগ কৰাটো অসম গণ-পৰিষদ চৰকাৰৰ নীতিবিৰুদ্ধ কথা। যি কোনো সমস্যা আলোচনাৰ মাজেৰে সমাধান কৰিবলৈকে চৰকাৰ আগ্ৰহী সেই বাবেই যোৱা ৩১।৩।৮৬ তাৰিখে গৃহমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী, সদৌ কাছাৰ ছাত্ৰসন্থা আৰু সদৌ কৰিমগঞ্জ ছাত্ৰ সন্থাৰ লগত আলোচনাত বহিছিল। আলোচনাত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক

উপত্যকাৰ জনসাধাৰণৰ মাজত বুজাপৰা আৰু সৌহাৰ্দ্য বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আলোচনাৰ প্ৰসঙ্গত সঁজাতি দলটোৱে স্পষ্টভাৱে কৈছিল যে অসমীয়া ভাষা শিকাত তেওঁলোকৰ কোনো আপত্তি নাই। কিন্তু মাধ্যমিক পৰিষদৰ জাননীখন কাৰ্য্যকৰী কৰাৰ পদ্ধতি সম্পৰ্কে অধিক আলোচনাৰ প্ৰয়োজন বুলি সঁজাতি দলটোৱে মত পোষণ কৰিছিল। এই সন্দৰ্ভত আলোচনাৰ পথ মুকলি ৰাখি চৰকাৰৰ তৰফৰ পৰা সঁজাতি দলটোৰ আন কিবা প্ৰস্তাৱ আছে নেকি জানিব বিচৰা হয়। ইয়াৰ উত্তৰত দল-টোৱে উভতি গৈ অন্যান্য অঞ্চলৰ লগত আলোচনা কৰি তেওঁলোকৰ প্ৰস্তাৱ দাখিল কৰিব বুলি জনাইছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ তৰফৰ পৰা দহ এপ্ৰিলত পুনৰ আলোচনাৰ বাবে সঁজাতি দলটোক নিমন্ত্ৰণ কৰা হৈছিল। আলোচনাৰ অন্তত আন্দোলন স্থগিত ৰাখিবলৈ চৰকাৰে সঁজাতি দলটোক আহ্বান জনায়। ইয়াৰ সঁহাৰিত পূৰ্ব্ব নিৰ্দ্ধাৰিত আন্দোলনৰ কাৰ্য্যসূচী সমাপ্ত হলেই ৭ এপ্ৰিল তাৰিখৰ পৰা আন্দোলন স্থগিত ৰখা হব বুলি সঁজাতি দলটোৱে আশ্বাস দিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, সঁজাতি দলটো উভতি যোৱাৰ পিচৰে পৰা কাছাৰৰ পৰিস্থিতিৰ পৰিৱৰ্ত্তন চকুত পৰে। উক্ত আলোচনাৰ পূৰ্ব্বে নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুসৰি ৫ এপ্ৰিলৰ পুৱা ৫ বজাৰ পৰা বাৰ ঘণ্টীয়া শিলচৰ বন্ধ পালন কৰা হৈছিল। বন্ধৰ কাৰ্য্যসূচী অনুসৰি সেইদিনা শিলচৰ চহৰৰ কাৰ্য্যালয়, বেঙ্ক আদিত পিকেটিং কৰা হয়। পিকেটিঙক কেন্দ্ৰ কৰি ঠায়ে ঠায়ে উত্তেজনা পৰিলক্ষিত হয়। দুপৰীয়া প্ৰায় ১১ বজাত ৩২ গৰাকী পিকেটিংকাৰী ছোৱালীক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ পিচতে উপায়ুক্তৰ কাৰ্য্যালয়লৈ শিলগুটি আদি নিক্ষেপ কৰা হয়। ফলত চৰকাৰী সম্পত্তি নষ্ট হয় আৰু আৰক্ষীলোক আহত হয়। আৰক্ষীয়ে উপায়ুক্তৰ কাৰ্য্যালয়ত সমবেত জনতাক খেদি পঠিয়ায় আৰু ৬ জনক গ্ৰেপ্তাৰ কৰে।

শিলচৰ ৰেলষ্টেচনত পিকেটিংকাৰী আৰু ৰেলযাত্ৰীৰ মাজত এটা সংঘৰ্ষৰ সূত্ৰপাত হয়। সেইদিনা দুপৰীয়া গুৱাহাটী অভিমুখে অহা বৰাকভেলী এক্সপ্ৰেছ ৰেলগাড়ীখনক পিকেটিংকাৰীয়ে বাধা দিয়ে। পিকেটিংকাৰী সকলে বিশৃংখলভাৱে চাৰিওফালৰ পৰা ৰেলগাড়ীখনলৈ শিলগুটি দলিয়ায়, ৰেল–

লাইনৰ ফিচ্‌প্লেট অপসাৰণ কৰে আৰু কাঠৰ স্লিপাৰত জুই লগাই দিয়ে। এইটো উল্লেখনীয় যে ৰেলগাড়ী খনত সৈন্যবাহিনী আৰু চি. আৰ. পি. এফৰ বহুতো জোৱান যাত্ৰী হিচাপে আছিল। দুষ্কৃতিকাৰীয়ে ষ্টেচনৰ কেইখনমান সৰু সৰু দোকানত অগ্নি সংযোগ কৰে আৰু ৰেলগাড়ীখনৰ ইঞ্জিনটো জ্বলাই দিয়াৰ চেষ্টা কৰে। সৈন্যবাহিনী আৰু চি. আৰ. পি. এফৰ জোৱানসকলৰ বুজনিত পিকেটিংকাৰীসকল সৈমান নহ'ল। হিংসাত্মক কাৰ্য্য-কলাপ অব্যাহত থকাত পুলিচে প্ৰথমে লাঠি চালনা কৰে, কন্দুৱা গেচ প্ৰয়োগ কৰে আৰু শেষত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ জিলা দণ্ডাধীশৰ লিখিত নিৰ্দ্দেশ ক্ৰমে ৪ জাই গুলী মৰা হয়। ইয়াৰ ফলত চাৰিজন লোকে গুলীৰ আঘাত পায়। আনহাতে দুষ্কৃতিকাৰীৰ হিংসাত্মক কাৰ্য্যত ২৪ জন সামৰিক আৰু অৰ্দ্ধসামৰিক লোক আহত হয়।

সেইদিনাই আবেলি ৪ মান বজাত কৰ্ত্তব্যৰত ২৭ জন সামৰিক বাহিনীৰ লোক শিলচৰ ৰেল ষ্টেচন পায়হি। শিলচৰৰ পৰা ৬ বজাত এৰিবলগীয়া কাছাৰ এক্সপ্ৰেছেৰে যাবলৈ বুলি তেওঁলোক তালৈ গৈছিল। এদল দুৰ্বৃত্তই তেওঁলোককো আক্ৰমণ কৰে আৰু দুখন সামৰিক বাহিনীৰ গাড়ীৰো ক্ষতি সাধন কৰে। ২২ জন সামৰিক বাহিনীৰ লোক সেই আক্ৰমণত আহত হয়। দুৰ্বৃত্তসকলক ভয় দেখুৱাবলৈ সামৰিক বাহিনীৰ লোকে শূন্যতে ১২ জাই গুলী চলায়। ইয়াৰ ফলত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

সেই একেদিনাই নিশা ৯-৩০ মান বজাত এদল দুৰ্বৃত্তই কৰ্ত্তব্যৰত আৰক্ষীলোকলৈ শিল দলিয়ায়। ইয়াত জড়িত থকা ৭ জন ব্যক্তিক আটক কৰা হয়।

যিকোনো ধৰণৰ গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ আন্দোলন কৰিবলৈ ৰাইজৰ অধিকাৰক গণ পৰিষদ চৰকাৰে স্বীকাৰ কৰে আৰু কৰি থাকিব। কিন্তু মাননীয় সদস্যসকলে নিশ্চয় অনুভৱ কৰিব যে ৰাজ্যখনৰ শান্তি বিনষ্ট কৰাৰ আৰু জীৱন-সম্পত্তি হানি কৰাৰ যি কোনো অপচেষ্টাক চৰকাৰে আওকান কৰি থাকিব নোৱাৰে। মই এই পৱিত্ৰ সদনক সবিনয়ে আশ্বাস দিব খোজো যে উক্ত আন্দোলন সন্দৰ্ভতো আমাৰ নীতি আৰু কাৰ্য্যপদ্ধতি

এই দায়িত্ববোধৰ ভেটিতে নিৰূপিত হব। আন্দোলনৰ দাবী সম্পৰ্কে আমাৰ চৰকাৰে মুকলি মনেৰে শান্তিপূৰ্ণ আলোচনাৰ জৰিয়তে মীমাংসাৰ নীতি অনুসৰণ কৰি থাকিব। এই ক্ষেত্ৰত পৱিত্ৰ সদনৰ সকলো পক্ষৰ মাননীয় সদস্যসকলৰ সমৰ্থন আৰু সহযোগিতা আমি কামনা কৰিছো।

সদৌ কাছাৰ ছাত্ৰ সন্থাৰ দুয়োটা দাবীয়ে শৈক্ষিক দাবী। অৰ্থাৎ অসমৰ শিক্ষা জগতৰ লগত জড়িত বিষয়। এই দাবী দুটাৰ আধাৰত চলি থকা আন্দোলনৰ আলমলৈ কোনেও যাতে ৰাজনৈতিক সমস্যাৰ সৃষ্টি নকৰে। শৈক্ষিক দাবীৰ সুযোগ লৈ অশান্তি সৃষ্টিৰ জৰিয়তে ৰাজনৈতিক মুনাফা আদায় কৰিব বিচাৰিলে চৰকাৰ নীৰৱে নেথাকে। ইতিমধ্যে এই আন্দোলনৰ লগত কেবাটাও ৰাজনৈতিক দল, সংগঠন আৰু ব্যক্তি জড়িত হোৱাৰ বাতৰি আমি পাইছোঁ। কাছাৰ আৰু কৰিমগঞ্জৰ ছাত্ৰসকলেও সচেতন হোৱা উচিত যাতে সমাজবিৰোধী আৰু ৰাজনৈতিক স্বাৰ্থান্বেষী লোকে কোনো ধৰণৰ অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, মই পুনৰ কব বিচাৰো যে ইমান দিনে আপেক্ষিকভাৱে শান্তিপূৰ্ণভাৱে চলোৱা কাৰ্য্যসূচীৰ পিচত চৰকাৰৰ লগত হোৱা আলোচনাৰ পিচতে পাঁচ এপ্ৰিলৰ কাৰ্য্যসূচীত অংশ গ্ৰহণকাৰী সকল হঠাতে হিংসাত্মক হৈ পৰাৰ কথাটো ভাবিবলগীয়া। কাছাৰ আৰু কৰিমগঞ্জৰ ছাত্ৰসকলে তেওঁলোকৰ স্বাৰ্থতে এটা আইন শৃংখলাৰ পৰিস্থিতিৰ সৃষ্টি কৰাটো উচিত নহয়।

শ্ৰীদেৱান জয়নাল আবেদিন— উপাধ্যক্ষ মহোদয়, গণপৰিষদ চৰকাৰৰ এটা ঘোষিত নীতি হৈছে ন্যায়সঙ্গত আন্দোলনৰ ওপৰত কোনো ধৰণৰ জোৰ-জুলুম নকৰিব আৰু আলাপ আলোচনাৰ মাধ্যমেৰে তেনে আন্দোলন মীমাংসা কৰাৰ পৰিপ্ৰেক্ষিতত যি গুলী চালনা হৈ গ'ল সি অতিশয় দুৰ্ভাগ্যজনক। সদনত গৃহমন্ত্ৰীয়ে যিটো বিবৃতি দিছে তাত এটা কথাৰ মই স্পষ্টীকৰণ বিচাৰিছো। কথাটো কাগজত ওলাইছে যে বেলত ভ্ৰমণ কৰি থকা চি. আৰ. পি. এফ জোৱানে গুলী চালনা কৰিছিল তেওঁলোকক আন্দোলনকাৰীসকলে বাধা প্ৰদান কৰা হেতুকে। অন্যান্য কাগজতো গুলী চালনা সম্পৰ্কে বিভিন্নভাবে প্ৰকাশ পাইছে কিন্তু গৃহমন্ত্ৰী

ডাঙৰীয়াই যিটো বিবৃতি দিছে তাত আগতীয়াকৈ জিলা দণ্ডাধীশৰ লিখিত নির্দেশ অনুসৰি গুলীচালনা কৰা বুলি কোৱা হৈছে। গতিকে এতিয়া জানিব বিচাৰিছো যে এই গুলীচালনা কৰাৰ আগতে পুলিচ কর্তৃপক্ষই লিখিত অনুমতি পাইছিল নে আৰু যদি চি-আৰ-পি-এফ জোৱানেই গুলী কৰিছিল তেনেহলে তেওঁলোকে কর্তৃত্ব কৰ পৰা পাইছিল। উপাধ্যক্ষ মহোদয়, দ্বিতীয় কথাটো হৈছে এই আন্দোলনৰ সূত্রপাত হৈছিল চৰকাৰৰ দ্বাৰা জাননী কৰা এখন বিতর্কমূলক নির্দেশক লৈ। অনা অসমীয়া স্কুল সমূহতো অসমীয়া বাধ্যতামূলক ভাৱে দিয়াৰ যি বিতর্কমূলক জাননী তাৰ ফলত হোৱা আন্দোলনৰ পৰিপ্রেক্ষিতত এই জাননীখন চৰকাৰে উঠাই লোৱাৰ কথা চিন্তা কৰিছে নে নাই ?

শ্রীভৃগুকুমাৰ ফুকন (গৃহমন্ত্রী): উপাধ্যক্ষ মহোদয়, সেই দিনাখন যিখন ট্রেইন বাধা দিছিল সেই ট্রেইনখনত চি-আৰ-পি-এফৰ জোৱান ভ্রমণ কৰিছিল যদিও তেওঁবিলাকৰ ফালৰ পৰা গুলী কৰা নাছিল। পুলিচে দণ্ডাধীশৰ পৰা লিখিত নির্দেশ মর্মে হে গুলী চালনা কৰিবলগীয়া হৈছিল। আৰু জাননীখনৰ সম্পর্কত মাননীয় সদস্যই যিটো উল্লেখ কৰিছে সেই সম্পর্কে এতিয়াও চৰকাৰৰ তৰফৰ পৰা বিবেচনা কৰা হোৱা নাই।

শ্রীদেৱান জয়নাল আবেদিন: উপাধ্যক্ষ মহোদয়, চৰকাৰে বিবেচনা কৰা নাই কাৰণেই পৰিস্থিতি বেয়া হৈ গৈছে। আনকি ব্রহ্মপুত্র উপত্য-কাতো বহুত বাধা আহিছে। অসমীয়া ৰাজ্যিক ভাষা হওক বা সকলো স্কুলত শিকাৰ কথা থাকক কিন্তু এনে পৰিস্থিতিত ..........

মাননীয় উপাধ্যক্ষ: সেইটো বেলেগ ইচু। আপুনি বহক।

## DISCUSSION UNDER RULE 49

এতিয়া আইটেম নং ৩ মাননীয় সদস্য কুমাৰ দীপক দাস।

কুমাৰ দীপক দাস: মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্যপৰিচালনা নিয়মাৱলীৰ ৪৯ নং নিয়মৰ অধীনত ১৮৮৬ চনৰ ২৪ মার্চ তাৰিখে কুমাৰ দীপক দাসে সোধা ১৪৬ নং তৰাচিহ্নিত প্রশ্নৰ

উত্তৰৰ পৰা উদ্ভৱ হোৱা বিষয়টো উত্থাপন কৰি এটা আলোচনা কৰিব বিচাৰিছো। চিনেমা ইণ্ডাষ্ট্ৰীৰ পৰা অসমত ভালেখিনি ৰাজহ লাভ হ'ব লাগে যদিও আশানুৰূপভাৱে ৰাজহ চৰকাৰে পাব পৰা নাই। এই চিনেমা ইণ্ডাষ্ট্ৰীৰ দ্বাৰা ভালেখিনি থলুৱা যুৱকক সহায় কৰিব পৰা সুবিধা আছে যদিও আচলতে ইণ্ডাষ্ট্ৰীটো ঠিকমতে কৰিব পৰা নাই কাৰণে এই ক্ষেত্ৰত আজি পৰ্য্যন্ত সুফল লাভ কৰিব পৰা নাই। ইণ্ডাষ্ট্ৰীৰ নামত যিখন আইন আমাৰ চৰকাৰৰ আছে সেই আইনখন আসোঁৱাহপূৰ্ণ হোৱা হেতুকে এই আইনৰ সুৰুঙাৰে চৰকাৰী ৰাজহ ওলাই গৈ আছে আৰু চিনেমা ইণ্ডাষ্ট্ৰীও সুস্থ বিকাশৰ ক্ষেত্ৰত ভালেখিনি বাধাগ্ৰস্ত হৈ আছে। দি আসাম চিনেমা ৰেগুলেশ্বন আইন ১৯৬০, যিখন আইন আছে সেই আইনখন আসোঁৱাহপূৰ্ণ হৈয়েই আছে। ইয়াৰ দ্বাৰা চিনেমা প্ৰযোজক বা পৰিচালকসকলক যিভাৱে জড়িত কৰিব লাগিছিল সেইভাৱে কৰিব পৰা নাই আৰু তেখেতসকল বাধাৰ সন্মুখীন হৈছে। আগুপুৰণি এই আইনখন যদি চিধাচিধি ভাৱে প্ৰয়োগ কৰিব পৰা হয় তেতিয়াহ'লে থলুৱা প্ৰযোজক পৰিচালকসকল উপকৃত হব পাৰিলেহেঁতেন। এই আইনখন তেনেভাৱে ব্যৱহাৰ কৰা হ'লে গুৱাহাটীৰ বহুত কেইটা চিনেমা হলেই বন্ধ হৈ যাব লাগিব। ইয়াত স্পষ্টভাৱে লিখা আছে ঃ

এক ফাৰ্লং এৰিয়াৰ ভিতৰত এই চিনেমা হল হ'ব্বা হব নোৱাৰে বুলি যদিও উল্লেখ আছে কিন্তু আইনখনৰ ধাৰাবিলাক প্ৰয়োগ নকৰাৰ ফলত যথেমথে চিনেমা হল হব পাৰিছে। আইনখন বৃটিছৰ দিনৰ আইন মাত্ৰ অসম চৰকাৰে নামটো সলাই অসম চৰকাৰৰ আইন বুলি প্ৰয়োগ কৰি আছে। অসমত মাত্ৰ ১২৩ টা চিনেমা হল থকাৰ বিপৰীতে কেৰেলাত সাতশৰো বেছি তামিলনাডুত ছয়শৰো বেছি আছে আৰু কৰ্ণাটকত প্ৰায় পাঁচশ চিনেমা হল আছে। সেই তুলনাত অসমত নিতান্ত কম চিনেমা হল আছে। যদি আমাৰ ইয়াত হলৰ সংখ্যা বঢ়োৱা যায় আৰু বিশেষকৈ মিনি চিনেমা হল যদি কৰি দিয়া হয় তেতিয়াহলে থলুৱা প্ৰযোজক আৰু পৰিচালকসকলৰ সুবিধা হ'ব। স্থানীয় পৰিচালক প্ৰযোজকসকলে অসমতে যদি সুবিধা নাপায় তেতিয়াহলে আন ঠাইলৈ গৈ সুবিধা কৰিব নোৱাৰিব। অসম ফিল্ম ফাইনেন্স কৰপোৰেশ্বনৰ পৰা টকা ধাৰ লৈ ধাৰ মাৰিব

নোৱাৰা অৱস্থা আজি থলুৱা প্ৰযোজকসকলৰ হৈছে। তাৰ উপৰিও চিনেমা হল বিলাকৰ মালিকবিলাকে মন'পলি চলাই আছে। বিশেষকৈ যিবিলাক এডাল্টচ্ পিকচাৰ আৰু যিবিলাকৰ দ্বাৰা সাধাৰণ জনসাধাৰণৰ মন সহজে আকৃষ্ট কৰিব পাৰে তেনে পিকচাৰ আনি ধন সংগ্ৰহ কৰাত সুবিধা লৈ আছে। গতিকে অন্ততঃ পাঁচশৰো বেছি হল থলুৱা প্ৰযোজক সকলক সহায় কৰিবলৈ আগবাঢ়ি আহিব পাৰিব। ইয়াৰ বাহিৰেও যিবিলাক টুৰিং চিনেমা হল আছে সেই বিলাকেও ঠিকমতে চোৰা-চিতাৰ অভাৱৰ কাৰণে ৰাজহৰ ধন দিব পৰা নাই। যাঠিটাৰো অধিক টুৰিং চিনেমা হলে ঠিকমতে কাম কৰিবলৈ হ'লে ৰাজহ ভালেখিনি গ'লহেতেন। কিন্তু বহুত ক্ষেত্ৰত আমোদ কৰৰ টিকট বিক্ৰী কৰি থাকে। তাৰ উপৰিও লাইচেন্স আদিও ৰিনিউ ঠিকমতে নকৰে। এই টুৰিং চিনেমা হলবিলাক চোৱা চিতা কৰিবৰ কাৰণে এটা কাৰিকৰী সমিতি কৰি দিব লাগে আৰু আইনৰ ভিতৰত যিটো আসোঁৱাহ আছে সেই বিলাকো চাব পাৰিব। সেই অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই বিষয়টো উত্থাপন কৰিছো। আমি এতিয়া ভাল ভাল অসমীয়া চিনেমাবিলাক চাবলৈ নোৱাৰো। এৰা বাটৰ সুৰ, জয়মতী আদি চিনেমা চাবলৈ সুবিধা পাব লাগে যদিও সেইবিলাক পৰিবেশন কৰিবলৈ হলবিলাকে মন নকৰে। এইটো আমাৰ চৰকাৰৰ ফালৰ পৰা কৰিব লাগে বুলি কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য কুমাৰ দীপক দাসে তোলা আধাঘন্টাৰ আলোচনাৰ সম্পৰ্কে চৰকাৰ সজাগ।

(১) অসমৰ বোলছবি জগতত কলা-কুশলী স্থানীয় শিল্পীবৃন্দ আৰু তথা বোলছবিৰ লগত জড়িত বোলছবি নিৰ্ম্মাতাসকলে পাই অহা অসুবিধা বিলাকৰ কথা চৰকাৰৰ ইতিমধ্যে দৃষ্টিগোচৰ হৈছে। পৰ্য্যায়ক্ৰমে এই অসুবিধাবিলাক দূৰ কৰিবলৈ তলত দিয়া ধৰণে কাৰ্য্যকৰী ব্যৱস্থাসমূহ ইতিমধ্যে গ্ৰহণ কৰা হৈছে।

জ্যোতি চিত্ৰবনক সৰ্ব্বাঙ্গসুন্দৰ আৰু আধুনিকীকৰণৰ উদ্দেশ্যে এটা

১৬ এম এম, এৰিফেলক্স কেমেৰা দিয়াৰ বাবদ ৯ লাখ টকা ১৯৮৫—৮৬ চনত পৰিকল্পনা বাজেটত অনুদান দিয়া হৈছে। এই সন্দৰ্ভত তলত দিয়া অত্যাৱশ্যকীয় আৰু আনুসাঙ্গিক সা-সঁজুলী সমূহ যোগান ধৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

১। ষ্টেইনবেক মেচিন ফৰ এদিটিং
২। অপটিকেল ৰেকৰডাৰ
৩। মাষ্টাৰ ৰেকৰডাৰ ফৰ কেচেট ডুপ্লিকেচন্স
৪ আউট দ'ৰ লাইট
৫। নাগ্ৰা মেচিন ৰেকৰডাৰ।

এই সন্দৰ্ভত মাননীয় সদস্যবৃন্দই শুনি আনন্দিত হব যে সপ্তম পাঁচ বছৰীয়া পৰিকল্পনাত উত্তৰ-পূৰ্ব কাউন্সিলৰ পৰিকল্পনা আঁচনি অনুযায়ী তলত দিয়া সুবিধাখিনি জ্যোতি চিত্ৰবনে লাভ কৰিব:

১। এটা আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন
২। সেই উদ্দেশ্যে আনুসাঙ্গিক সা-সঁজুলি আৰু যন্ত্ৰপাতিও যোগান ধৰা হ'ব।
৩। ৰঙিন ছবি নিৰ্ম্মাণৰ বাবে এটা পৰীক্ষাগাৰ স্থাপন কৰা হব।
৪। অডিঅ' মিউজিয়াম এটা স্থাপনৰ প্ৰস্তাৱ আছে।

অসমীয়া বোলছবি নিৰ্মাতাসকলৰ প্ৰধান অসুবিধা হ'ল প্ৰদৰ্শনৰ সীমিত পৰিসীমা আৰু সীমিত পৰিমাণৰ দৰ্শক। ছবিখন উৎকৃষ্ট মানৰ হলেও বাণিজ্যিক দিশত আশানুৰূপ ফল নেপায়। সেই উদ্দেশ্যে সৰ্ব্বভাৰতীয় ভিত্তিত প্ৰসাৰণৰ বাবে সম্ভৱ স্থলত অন্য ভাষালৈ ৰূপান্তৰ কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছে।

ছবি নিৰ্মাতাসকলৰ সাহায্যাৰ্থে স্থানীয় ছবিঘৰসমূহত মাহে অন্ততঃ ৭ দিন অসমীয়া ছবি প্ৰদৰ্শন কৰাৰ কথাও বিবেচনা কৰা হব। ছবিখনে ৰাইজৰ পৰা সমাদৰ লাভ নকৰিলে ৰাজহ আদায়তো অসুবিধা হব। এই দিশত আৱশ্যকীয় দিহা পৰামৰ্শ দি চিত্ৰ নিৰ্ম্মাতা তথা জ্যোতি চিত্ৰবনৰ কৰ্ম্ম কৰ্তাসকলক সাজু কৰিবলৈ এখন উচ্চ পৰ্য্যায়ৰ উপদেষ্টা সমিতিৰ আৱশ্যক আছে বুলি চৰকাৰে ভাবে। এই বিষয়ে এটা সোন-

কালে সিদ্ধান্ত লোৱা হব। তদুপৰি প্ৰথম এবছৰৰ প্ৰমোদ কৰ ছবি নিৰ্ম্মাতাসকলক ঘূৰাই দিয়া হব। চৰকাৰৰ ফিল্ম ফাইনেন্স কৰ্পোৰেচনৰ যোগেদি চিত্ৰ নিৰ্ম্মাতা প্ৰযোজক সকললৈ ১৯৮৪ চনৰ পৰা বৰ্তমানলৈ তলত নাম দিয়ামতে আগবঢ়োৱা হৈছে।

১। মানসী ২। ৰাংঢালী ৩। আজলী নবৌ ৩। বোৱাৰী ৫। ৰাজা ৬। সাদৰী ৭। শ্ৰীশ্ৰী মা কামাখ্যা ৮। পোনাকণ ৯। অপৰূপা ১০। মন আৰু মৰম ১১। ঘৰ-সংসাৰ ১২। শকুন্তলা আৰু জোচেফ আলি।

অসমৰ বাবে বৰণীয়া কলা-কৃষ্টিৰ বিকাশ তথা সংৰক্ষণ অসমীয়া সংস্কৃতিৰ মূল ধাৰাটোৰ লগত খাপ খোৱাকৈ নিবৰ বাবে এক প্ৰচেষ্টা চলোৱা হৈছে। এই সংক্ৰান্তত হাফলং, ধেমাজী, তামোলপুৰ, তুধনৈ, গৌৰীপুৰ, মাজুলী আদিত সাংস্কৃতিক উপকেন্দ্ৰ স্থাপন কৰা হৈছে। তাৰোপৰি ছবি নিৰ্ম্মাণৰ কেন্দ্ৰত এই কেন্দ্ৰবিলাকৰ পৰা স্থানীয় গীত-মাত গ্ৰহণ কৰিব পৰা হব।

মাননীয় উপাধ্যক্ষ : মাননীয় অধ্যক্ষই মাননীয় সদস্য শ্ৰীদুৰ্গা দাস বড়োৱে যোৱা ৭-৪-৮৬ ইং তাৰিখে অধিবেশনত উল্লেখ কৰা বিষয় দুটাৰ অনুসন্ধান কৰি সদনত আজি এটা ঘোষণা দিয়াৰ কথা আছিল। সেইটো মই মাননীয় অধ্যক্ষৰ অনুপস্থিত সদনত পঢ়ি দিছো।

মাননীয় সদস্য শ্ৰীদুৰ্গাদাস বড়োৱে যোৱা ৭-৪-৮৬ তাৰিখে অধিবেশনত উল্লেখ কৰা বিষয় দুটাৰ অনুন্ধান কৰি সদনক মই আজি জনাম বুলি কৈছিলো। প্ৰথম বিষয়টো প্ৰশ্নৰ সংক্ৰান্তত আৰু দ্বিতীয়টো অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে বিধান সভা সচিবালয়ত সংৰক্ষণৰ বিষয়ে।

প্ৰথম বিষয়টো অনুসন্ধান কৰি মই এনেদৰে পালো যে বিধান সভা সচিবালয়ে বাজেট অধিবেশনৰ বাবে ১৪৮৬ টা তৰাচিহ্নিত প্ৰশ্ন পায় আৰু তাৰ ভিতৰত ১৩৪৭ টা মঞ্জুৰ হোৱা প্ৰশ্নৰ উত্তৰ চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা পোৱা হয়। ১৩১ টা তৰাবিহীন প্ৰশ্ন পায় তাৰ ভিতৰত ১২৭ টা মঞ্জুৰ কৰা হয়। ইয়াৰ ভিতৰত ৫৯ টা প্ৰশ্নৰ উত্তৰ চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা পোৱা হয়। ৯১ টা চমু জাননী প্ৰশ্ন পোৱা হয়। তাৰ

ভিতৰত ৪১ টা মঞ্জুৰ কৰা হয় আৰু ৩৮ টা প্ৰশ্ন সদনত বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিয়ে।

৩ এপ্ৰিল তাৰিখলৈকে ৭১৮ টা তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা বিধান সভা সচিবালয়ে পায়। সেই সকলোখিনি প্ৰশ্নৰ উত্তৰ আজি ৪ টা খণ্ডত সদনত উত্থাপন কৰা হৈছে। খণ্ড ১ আৰু খণ্ড ২ চৰকাৰী ছপাশালে ছপা কৰি দিয়ে আৰু খণ্ড ৩ আৰু খণ্ড ৪ বিজুলী সৰবৰাহৰ বিজুতি ও যান্ত্ৰিক বিজুতিৰ বাবে ছপা কৰাত অসুবিধা হোৱাৰ বাবে ছপাশালৰ কৰ্ম্মচাৰী ও সচিবালয়ৰ কৰ্ম্মচাৰীৰ সহযোগত চাইক্লোষ্টাইল কৰি যোৱা কালি সদস্যসকলৰ মাজত বিতৰণ কৰি দিয়া হয়। এই প্ৰসঙ্গত এইটো উল্লেখ কৰিব পাৰি যে ৩ তাৰিখলৈ হোৱা প্ৰশ্নৰ উত্তৰ সমূহ ছপা কৰাৰ সুবিধাৰ বাবেই বিধান সভা সচিবালয়ত প্ৰাপ্তি অনুসৰি ভাগ ভাগ কৰি ছপাশাললৈ ছপা কৰাৰ বাবে দিয়া হৈছিল। কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে বিজুলী সৰবৰাহৰ বিজুতি ঘটাত একে সময়তে গোটেই কেইটা খণ্ড দিব পৰা নহ'ল। আৰু এনে পৰিস্থিতিত বিকল্প ব্যৱস্থা নাছিল।

দ্বিতীয়টো বিষয় সাধাৰণতে পৰম্পৰা অনুসৰি ভাৰতৰ কোনো সদনতে কেতিয়াও উত্থাপিত নহয়। মই ভাবো মাননীয় সদস্য শ্ৰীবড়োৱে সেইটো পৰম্পৰাৰ বিষয়ে অবগত নহয় বাবেহে তেখেতে এই বিষয়টো উত্থাপিত কৰিছিল সদনত। মই আশা কৰো আগলৈ কোনো সদস্যই এনে ধৰণৰ কথা নুলিয়াব কাৰণ বিধান সভা সচিবালয় প্ৰশাসনৰ মূৰব্বী হ'ল অধ্যক্ষ নিজে আৰু এই বিষয়ে কোনো মন্ত্ৰীয়ে সদনত সমিধান দিব নোৱাৰে। এতেকে কোনো সদস্যৰ যদি গুজৰ আপত্তি থাকে তেন্তে তেখেতসকলে অধ্যক্ষক লগ ধৰি এই বিষয়ে আলোচনা কৰিব পাৰে।

সি যি কি নহওঁক যিহেতু মাননীয় সদস্য শ্ৰীবড়োৱে চৰকাৰী সংৰক্ষণৰ বিষয়ে তুবাৰো উত্থাপন কৰিলে সেয়ে মই জনাওঁ যে বৰ্তমানৰ সচিবে ১-৪-৮৫ ইং তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচত কোনো নিয়মিত নিযুক্তি হোৱা নাই। তেখেতৰ দিনত বিৰোধী দলপতিৰ ব্যক্তিগত কৰ্ম্মচাৰী হিচাবে ৪ৰ্থ শ্ৰেণীৰ ৩ টা নিযুক্তি বিৰোধী দলপতি জনৰ অনুমোদন অনুযায়ী হৈছে। বাকী পূৰ্ব্বৰ সচিবে দিয়া নিযুক্তিসমূহৰ বিষয়ে নথি চাই জানিব পাৰিছো

যে যিমান কেইটা পদ ভৈয়াম অনুসূচীত জনজাতিৰ পৰা পাব লাগিছিল তাতকৈ কেইটামান পদ কম পাইছে। আনহাতে যিমান কেইটা পদ অনুসূচীত জাতিয়ে পাব লাগিছিল তাতকৈ কেইটামান পদ বেছি পাইছে। গোটেই বিষয়টো পৰীক্ষা কৰি চাই মই আৱশ্যকীয় ব্যৱস্থা লম।

## ADJOURNMENT

The House rose at 12.30 P. M. and stood adjourned sine die.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

Dated, Dispur,
The 9th April, 1986.